# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 29-11-2024
**Time :** 0900 Hrs

## *Assamese Morning Bulletin*
### *HEADLINES*

**- - - - - - - - - - - - - -**

১। সদ্যসমাপ্ত উপ নিৰ্বাচনত অসম বিধানসভালৈ নিৰ্বাচিত ৫ গৰাকী বিধায়কৰ আজি শপতগ্ৰহণ।

২। ১ৰ পৰা ৫ ফেব্ৰুৱাৰীৰ ভিতৰত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে ৰাজ্যিক নিৰ্বাচন আয়োগৰ তৎপৰতা আৰম্ভ।

৩। ৫৫ সংখ্যক ভাৰত আন্তৰ্জাতিক চলচ্চিত মহোৎসৱত লিথিওনিয়াৰ চিনেমা টক্সিকৰ শ্ৰেষ্ঠ ছবিৰ গল্ডেন পিকক পুৰস্কাৰ অৰ্জন।

৪। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত অনুষ্ঠিত দ্বাদশ আন্তঃৰাষ্ট্ৰীয় পৰ্যটন মেলাৰ আজি সামৰণি।

*আৰু*

৫। অসম বক্সিং সন্থাৰ উদ্যোগত আজি গুৱাহাটীত ৪৪ সংখ্যক সদৌ অসম চিনিয়ৰ আন্তঃজিলা বক্সিং প্ৰতিযোগিতা আৰম্ভ।

০০০০০

বিধানসভাৰ নতুন ভৱনত আজি বিশেষ অনুষ্ঠানত শপত গ্ৰহণ ল'ব নৱনিৰ্বাচিত পাঁচগৰাকী বিধায়কে। আজি আবেলি ৪ বজাত বিধানসভাৰ নতুন ভৱনত এই ৫গৰাকী বিধায়কক বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে শপত বাক্য পাঠ কৰোৱাব। উল্লেখযোগ্য যে যোৱা ১৩ নৱেম্বৰত ৰাজ্যত অনুষ্ঠিত হোৱা উপ-নিৰ্বাচনত বঙাইগাঁৱৰ পৰা দিপ্তীময়ী চৌধুৰী, বিহালীৰ পৰা দিগন্ত ঘাটোৱাৰ, ঢলাইৰ পৰা নিহাৰৰঞ্জন দাস, ছিদলীৰ পৰা নিৰ্মল ব্ৰহ্ম আৰু চামগুৰিৰ পৰা দিপ্লুৰঞ্জন শৰ্মা -এই ৫ বিধায়ক বিধানসভালৈ নিৰ্বাচিত হৈছিল।

০০০০০

পঞ্চায়ত নিৰ্বাচনক লৈ ৰাজনৈতিক দলসমূহৰ মাজত কুচকাৱাজ চলি থকাৰ সময়তে অহা ১ৰ পৰা ৫ ফেব্ৰুৱাৰীৰ ভিতৰত নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে ৰাজ্যিক নিৰ্বাচন আয়োগত তৎপৰতা আৰম্ভ হৈছে। উল্লেখযোগ্য যে, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ১০ ফেব্ৰুৱাৰীৰ পূৰ্বেই পঞ্চায়ত নিৰ্বাচন সম্পূৰ্ণ কৰাৰ বাবে কেবিনেটত লোৱা সিদ্ধান্তৰ কথা সদৰী কৰাৰ পাছত এই নিৰ্বাচনক লৈ সম্প্ৰতি শাসক-বিৰোধী উভয় পক্ষৰ মাজত প্ৰস্তুতি চলিছে। এই উদ্দেশ্যে পঞ্চায়ত পৰ্যায়ত নিৰ্বাচনৰ বাবে খচৰা ভোটাৰ তালিকা প্ৰকাশ কৰাৰ কাম-কাজ আৰম্ভ হৈছে। ৰাজ্যিক নিৰ্বাচন আয়োগৰ এটা সূত্ৰই প্ৰকাশ কৰা অনুসৰি পঞ্চায়ত নিৰ্বাচনৰ চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ কৰাৰ পূৰ্বে অহা ১০-১১ ডিচেম্বৰত পঞ্চায়ত নিৰ্বাচনৰ খচৰা প্ৰকাশ কৰা হ'ব। আনহাতে ১৪ৰ পৰা ২১ ডিচেম্বৰলৈ খচৰা ভোটাৰ তালিকা আৰু ওজৰ আপত্তি তথা দাবীসমূহ নিষ্পত্তি কৰাৰ লগতে ২৮ ডিচেম্বৰত চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ পাব। নিৰ্বাচন আয়োগৰ সূত্ৰটোৱে প্ৰকাশ কৰা অনুসৰি ডিচেম্বৰৰ শেষ ভাগত যদি চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ হয় তেন্তে জানুৱাৰীৰ প্ৰথম ভাগত নিৰ্বাচনৰ দিন ঘোষণা কৰা হ'ব।

০০০০০

বিধানসভা নিৰ্বাচনৰ পাছত বিদ্যালয়, মহাবিদ্যালয়, হাস্পতালৰ চতুৰ্থবৰ্গৰ পদত গাওঁ, চহৰৰ স্থানীয় প্ৰাৰ্থীয়েহে নিযুক্তি লাভ কৰিব বুলি কালি গুৱাহাটীত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সংবাদ মাধ্যমক এই কথা প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয় কয়, যে চতুৰ্থবৰ্গৰ পদত চৰকাৰী নিয়মত নিযুক্তি দিলে স্থানীয় যুৱক-যুৱতীয়ে নিযুক্তি লাভৰ পৰা বঞ্চিত হ'ব লগা হৈছে। যিহেতু বৰ্তমানৰ নিয়ম অনুসৰি চতুৰ্থবৰ্গৰ পদৰ বাবে সাক্ষাৎকাৰ দিব লাগে সেই লৈ গাওঁ-চহৰৰ স্থানীয় প্ৰাৰ্থীসকলে আপত্তি দৰ্শাই আহিছে। ইতিমধ্যে বহু ৰাজ্যত চতুৰ্থবৰ্গৰ নিযুক্তি প্ৰক্ৰিয়াৰ ক্ষেত্ৰত নতুন নিয়ম কৰি আহিছে। এনে পৰিপ্ৰেক্ষিতত অসম চৰকাৰেও বিধানসভা নিৰ্বাচনৰ পাছত চতুৰ্থবৰ্গৰ নিযুক্তিৰ ক্ষেত্ৰত এই নতুন নিয়ম প্ৰযোজ্য কৰা হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে এই কথা প্ৰকাশ কৰে।

০০০০০

ভাৰতৰ ৫৫ সংখ্যক আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱত লিথিওনিয়াৰ চিনেমা টক্সিকে শ্ৰেষ্ঠ ছবিৰ সন্মান লাভ কৰিছে। ক্লেমেণ্ট ফেভ্ৰোৱে হোলি কাওত কৰা অভিনয়ৰ বাবে শ্ৰেষ্ঠ অভিনেতাৰ পুৰস্কাৰ লাভ কৰে। গোৱাৰ পানাজিত কালি সমাৰণি পৰা জাকজমকতাপূৰ্ণ অনুষ্ঠানত বঁটাসমূহ প্ৰদান কৰা হয়। এই বিষয়ে বিশদভাৱে জানিবলৈ গোৱাত উপস্থিত থকা বিশিষ্ট চলচ্চিত্ৰ সমালোচক নয়ন প্ৰসাদৰ সৈতে আমি কথা পাতিবলৈ লৈছো।

**বাইট**

ধন্যবাদ নয়ন প্ৰসাদ। ভাৰতৰ ৫৫ সংখ্যক আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱৰ ৯ দিনীয়া অনুষ্ঠানৰ প্ৰতিটো দিনৰে কাৰ্যসূচীৰ বিতং তথ্য আমাৰ শ্ৰোতাসকলক নয়ন প্ৰসাদ দেৱে চলচ্চিত্ৰ মহোৎসৱ থলীৰ পৰা সবিশেষ জনাই আহিছিল। আমি নয়ন প্ৰসাদ দেৱক পুনৰ ধন্যবাদ জ্ঞাপন কৰিছে।

00000

গোলাঘাট জিলা প্ৰশাসনৰ উদ্যোগত আৰু স্থানীয় এটা স্বেচ্ছাসেৱী সংগঠনৰ সহযোগত জিলাখনৰ সমন্বয় ক্ষেত্ৰত কালিৰে পৰা গোলাঘাট সাহিত্য উৎসৱ আৰু গ্ৰন্থমেলা অনুষ্ঠিত হৈছে। এই উপলক্ষে কালি প্ৰাক্তন ছাত্ৰ নেতা কৌস্তভ মণি হাজৰিকাৰ সোঁৱৰণত সদৌ অসম কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হয়। গোলাঘাট আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত অনুষ্ঠিত প্ৰতিযোগিতাখন সদৌ অসম ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সম্পাদক চৰ্জুন হাঞ্চেই উদ্বোধন কৰে। আনহাতে কালি গ্ৰন্থমেলাৰ বাকৰিত গোলাঘাট জিলা কবি চক্ৰৰ উদ্যোগত আয়োজিত কবিতা অনুষ্ঠিত জিলা সাহিত্য সভাৰ সম্পাদক বন্তি বৰাই উদ্বোধন কৰে। এই অনুষ্ঠানত জিলাখনৰ অৰ্দ্ধশতাধিক ন-পুৰণি কবিয়ে স্ব-ৰচিত কবিতা পাঠ কৰে।

আজি সাহিত্য উৎসৱৰ কাৰ্যসূচীত গ্ৰন্থ সমদল, সাধু কোৱা প্ৰতিযোগিতা আৰু সাংস্কৃতিক কাৰ্যসূচী অনুষ্ঠিত কৰা হ'ব। অহা ৬ ডিচেম্বৰত এই উৎসৱৰ সামৰণি পৰিব।

00000

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ পুৰণি টেলিফোন নম্বৰ ২৬৬০৪২৬ পুনৰ বাহাল কৰা হৈছে। দীৰ্ঘদিন ধৰি এই টেলিফোন নম্বৰটো বিকল হৈ থকাৰ বাবে বাতৰি বিভাগ, আমাৰ সংবাদদাতাসকল আৰু আমাৰ শ্ৰোতাসকল যথেষ্ট আহুকালৰ সন্মুখীন হ'বলগীয়া হৈছিল। ভাৰত সঞ্চাৰ নিগম লিমিটেড চমুকৈ বি এছ এন এলৰ অধীনৰ এই টেলিফোন নম্বৰলৈ মোবাইল ফোনৰ পৰা ০৩৬১- এই কোড ব্যৱহাৰ কৰি ডায়েল কৰিব লাগিব। সংবাদদাতা আৰু সৰ্বসাধাৰণ ৰাইজে ০৩৬১-২৬৬০৪২৬ নম্বৰত টেলিফোন কৰি যিকোনো বাতৰি আৰু মত-অভিমত জনাব পাৰিব।

00000

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত অনুষ্ঠিত দ্বাদশ আন্তঃৰাষ্ট্ৰীয় পৰ্যটন মেলাৰ আজি অন্ত পৰিব। দেশী-বিদেশী কেইবা শতাধিক পৰ্যটন প্ৰতিনিধি, ট্যুৰ অপাৰেটৰে অংশগ্ৰহণ কৰা এই পৰ্যটন মেলাৰ কালি তৃতীয় দিনা অনুষ্ঠিত সাংস্কৃতিক সমাৰোহত ভাৰতত আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰদূত এৰিক গাৰ্চটি উপস্থিত থাকে। ৰাষ্ট্ৰদূতগৰাকীয়ে তেওঁৰ ভাষণত উত্তৰ-পূব ভাৰতৰ সৌন্দৰ্যত তেওঁ অভিভূত হোৱা  বুলি উল্লেখ কৰে। অনুষ্ঠানত জিলা আয়ুক্তৰ লগতে অসম পৰ্যটন উন্নয়ন নিগম লিমিটেডৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱা উপস্থিত থাকে।

*-বাইট-*

00000

মৰাণ নাগৰিক সমাজৰ উলদ্যোগত অহা ১ ডিচেম্বৰৰ পৰা মৰাণ ৰাজহ নগৰস্থিত লাচিত নগৰ অৰুণোদয় সংঘ প্ৰাঙ্গনত ৮ দিনীয়া কাৰ্যসূচীৰে চতুৰ্থ মৰাণ গ্ৰন্থমেলাৰ আয়োজন কৰিছে। এই গ্ৰন্থমেলাৰ লগত সংগতি ৰাখি অনলাইন অনুগল্প প্ৰতিযোগিতা, কুইজ প্ৰতিযোগিতা, চিত্ৰাংকন প্ৰতিযোগিতাৰ উপৰি বক্তৃতানুষ্ঠান, গ্ৰন্থ চয়ন, আলোচনাচক্ৰ আৰু কবি সন্মিলন অনুষ্ঠিত হ'ব। এই গ্ৰন্থমেলাত অঞ্চলটোৰ বহুকেইগৰাকী নবীন-প্ৰবীণ লেখকৰ বিভিন্ন বিষয়ৰ গ্ৰন্থ উন্মোচন কৰা হ'ব। আয়োজক সমিতিয়ে এই গ্ৰন্থমেলাৰ  সফলভাৱে অনুষ্ঠিত কৰাৰ বাবে গ্ৰন্থপ্ৰেমী ৰাইজৰ অংশগ্ৰহণ আৰু সকলো ধৰণৰ সহায়-সহযোগিতা আগবঢ়াইছে।

00000

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক কাকতসমূহত বিভিন্ন্ বাতৰি প্ৰকাশ হোৱাটো আমাৰ দৃষ্টিগোচৰ হৈছে। ইয়াৰে ভিতৰত ৪ বছৰতে কুৰি শতাংশ নিৰ্মাণ ব্যয়, ৰাজ্যত বিদ্যুৎ বিতৰণৰ লোকচানৰ ধন ভৰিব লাগিব গ্ৰাহকে, ৰাজ্যত সৃষ্টি হ'ব প্ৰবেচনাৰী শিক্ষক আদি বাতৰিসমূহে আটাইবোৰ কাকতৰ শিৰোনাম দখল কৰিছে। গুৱাহাটী-উত্তৰ গুৱাহাটী দলংখন ২০২৫ চনৰ শেষৰ ফালে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মুকলি কৰিব বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰিছে। এই বাতৰিটো দৈনিক অসম কাকতে **গুৱাহাটী-উত্তৰ গুৱাহাটী দলঙত ট্ৰাক-নৈশ বাছে ভৰিব লাগিব কৰ** শিৰোনামেৰে সবিস্তাৰে প্ৰকাশ কৰিছে। **অষ্ট্ৰেলিয়াত ১৬ বছৰ অনুৰ্দ্ধৰ বাবে নিষিদ্ধ কৰা হ'ল সামাজিক মাধ্যম** শিৰোনামেৰে অসমীয়া প্ৰতিদিন কাকতে নতুন প্ৰজন্মক মোবাইলৰ গ্ৰাসৰ পৰা উদ্ধাৰ কৰিবলৈ অষ্ট্ৰেলিয়াৰ সংসদত আইন গৃহীত হোৱাৰ এটা বাতৰি প্ৰকাশ কৰিছে। **অসমত ৫ লাখ নিষ্পত্তিবিহীন গোচৰ** শিৰোনামেৰে দৈনিক জনমভূমি কাকতে দেশৰ ন্যায়িক ব্যৱস্থাৰ এটা বাতৰি প্ৰকাশ কৰিছে।

**অসমত ভূগৰ্ভৰ জলস্তৰ বিপজ্জনকভাৱে হ্ৰাস** শিৰোনামেৰে এটা উদ্বেগজনক বাতৰি ফটোসহ সবিস্তাৰে আমাৰ অসম কাকতে প্ৰকাশ কৰিছে। **বাইহাটাৰ পৰা মিছন চাৰিআলিলৈকে ফ'ৰ লেনলৈ উন্নীত কৰা হ'ব ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ** শিৰোনামেৰে নিয়মীয়া বাৰ্তা কাকতে এটা বাতৰি প্ৰকাশ কৰিছে। অসমীয়া খবৰ কাকতে **২৬ৰ নিৰ্বাচনত বিজেপিৰ টাৰ্গেট সংখ্যালঘু** শিৰোনামেৰে এটা বাতৰি প্ৰকাশ কৰিছে। দৈনিক অগ্ৰদূত কাকতে বছৰি **৬৯ হাজাৰ কোটিৰ খাদ্য লুণ্ঠন** শিৰোনামেৰে এটা বাতৰি প্ৰকাশ কৰিছে। ভাৰত আৰু চীনৰ সীমান্ত চুক্তি কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত যথেষ্ট অগ্ৰগতি লাভ কৰিছে। এই সন্দৰ্ভত বাতৰি প্ৰকাশ কৰি দি আছাম ট্ৰিবিউন কাকতৰ বাতৰিৰ শিৰোনাম গ্ৰেট প্ৰগ্ৰেচ ইম্প্লিমেণ্টিং বোৰ্ডাৰ পেক্ট উইথ ইণ্ডিয়া-চাইনা।

আজিৰ অন্যান্য বাতৰিসমূহৰ ভিতৰত আছে বাংলাদেশত মৌলবাদীৰ আক্ৰমণ চম্ভালিছে অসমীয়া মহিলা উদ্যোগপতিয়ে, সাংবাদিক বুলন কুমাৰ শইকীয়াৰ দেহাৱসান, ইস্কনক নিষেধৰ আবেদন নাকচ ঢাকাৰ আদালতৰ ইত্যাদি। এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক কাকতসমূহত প্ৰকাশিত প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি।

ooooo

লখিমপুৰৰ তেলাহী উন্নয়ন খণ্ডৰ অন্তৰ্গত পুৰ তেলাহী গাঁও পঞ্চায়ত এলেকাৰ গাঁওসমূহৰ সমস্যাৰ বুজ লোৱাৰ বাবে কালি লখিমপুৰৰ আয়ুক্তই সোৱণশিৰিপৰীয়া অঞ্চলত উপস্থিত হয়। সোৱণশিৰি নদীৰ খহনীয়াত ক্ষতিগ্ৰস্ত এলেকাসমূহ পৰিদৰ্শন কৰে। অঞ্চলটোৰ সমস্যাৰ লগতে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ গৃহ লাভৰ পৰা বঞ্চিত হোৱা পৰিয়ালসমূহৰ সৈতে তেওঁ মত বিনিময় কৰে।

ooooo

অসম বক্সিং সন্থাৰ উদ্যোগত আজি গুৱাহাটীত ৪৪ সংখ্যক সদৌ অসম চিনিয়ৰ আন্তঃজিলা বক্সিং প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাৰ খেলসমূহ আজি আৰম্ভ হ'ব যদিও কাইলৈ বিয়লি ৩ বজাত এই প্ৰতিযোগিতা আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হ'ব। পুৰুষ আৰু মহিলাৰ উভয় শাখাৰ ১০টা ওজন শাখাৰ খেল অনুষ্ঠিত হ'বলগীয়া এই প্ৰতিযোগিতাত ৩ শতাধিক খেলুৱৈয়ে অংশ ল'ব। অহা ২ ডিচেম্বৰত প্ৰতিযোগিতাৰ সামৰণি পৰিব। কালি অসম বক্সিং সন্থাৰ সম্পাদক তথা ভাৰতীয় বক্সিং সংস্থাৰ সচিব হেমন্ত কুমাৰ কলিতাই এই বিষয়ে প্ৰকাশ কৰি কয় যে এই প্ৰতিযোগিতাৰ পৰাই অহা জানুৱাৰীত হ'বলগীয়া এলীট ৰাষ্ট্ৰীয় প্ৰতিযোগিতাত অসমৰ পুৰুষ আৰু মহিলাৰ দল বাছনি কৰা হ'ব। এই প্ৰতিযোগিতাত অলিম্পিয়ান বক্সাৰ শিৱ থাপা, লাভলীনা বৰগোঁহাই আৰু অসমৰ তাৰকা বক্সাৰ অংকুশিতা বড়ো, যমুনা বড়ো আদিয়ে অংশ ল'ব।

ooooo

লক্ষ্ণৌত চলি থকা চৈয়দ মোদী আন্তঃৰাষ্ট্ৰীয় বেডমিণ্টন চেম্পিয়নশ্বিপৰ কোৱাৰ্টাৰ ফাইনেল পৰ্যায়ৰ খেলসমূহ আজি খেলোৱা হ'ব। খেলসমূহ দিনৰ ১২ বজাৰ পাছত আৰম্ভ হ'ব। ভাৰতৰ তাৰকা খেলুৱৈদ্বয় পি ভি সিন্ধু আৰু লক্ষ্য সেনে ইতিমধ্যে কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰিছে। পি ভি সিন্ধুৱে কালি অনুষ্ঠিত প্ৰি-কোৱাৰ্টাৰ ফাইনেল পৰ্যায়ত সতীৰ্থ খেলুৱৈ ইৰা শৰ্মাক ২১-১০, ১২-২১, ২১-১৫ গেমত পৰাস্ত কৰাৰ বিপৰীতে লক্ষ্য সেনে ইজৰাইলৰ প্ৰতিদ্বন্দ্বী ডেনিল ডুব'ভেনক'ৰ বিৰুদ্ধে ২১-১৫, ২১-১৩ গেমত বিজয় অৰ্জন কৰিছিল।

প্ৰতিযোগিতাৰ আন এখন খেলত ভাৰতৰ উন্নতি হুদাই পৰ্ণপিছা ছয়কেৰঙক পৰাস্ত কৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে। ভাৰতৰ শীৰ্ষ বাছনিপ্ৰাপ্ত তানিছা ক্ৰাষ্টো আৰু অশ্বিনী পোনাপ্পাৰ যুটিটোৱেও ইতিমধ্যে চীনা টাইপেইৰ বিৰুদ্ধে বিজয় অৰ্জন কৰি পৰৱৰ্তী ৰাউণ্ডলৈ অগ্ৰসৰ হৈছে।

ভাৰতৰ আন দুগৰাকী খেলুৱৈ মীৰাবা লুৱাং মাইচনাম আৰু আয়ুষ চেট্টীয়েও কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

ooooo

তিনিচুকীয়া জিলাৰ শদিয়াত কালি নিশা সংঘটিত এটা পথ দুৰ্ঘটনাত দুগৰাকী বাইক আৰোহীৰ মৃত্যু হয়। মৃত্যু হোৱা বাইক আৰোহী দুজন শদিয়া চাপাখোৱা নিজৰাৰপাৰাৰ মাধুৰ্য বৰুৱা আৰু নৱজ্যোতি দলে বুলি চিনাক্ত কৰা হৈছে। শদিয়াৰ এখন হোটেলৰ সন্মুখত ৰাজপথত ৰখাই থোৱা এখন ট্ৰাকত বাইকত অহা দুই যুৱকে খুন্দিওৱাত এই শোকাৱহ ঘটনাটো সংঘটিত হয়।

ooooo

সমাপ্ত